# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-10-2025
**Time :** 21-25  Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ বাবে কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰলৈ প্ৰেৰণ কৰা শিল্পীগৰাকীৰ ভিছেৰা প্ৰতিবেদন আজি আৰক্ষীয়ে লাভ কৰাৰ পাছত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনে এই সন্দৰ্ভত গঠন কৰা তদন্ত সমিতিয়ে প্ৰতিবেদন পুংখানুপুংখভাৱে পৰীক্ষা কৰি মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদন প্ৰস্তুত কৰিব। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল যদিও মৃত্যুৰ ঘটনাক লৈ সন্দেহ ঘণীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল আৰু ভিছেৰা নতুন দিল্লীলৈ প্ৰেৰণ কৰা হৈছিল।

শ্ৰীগুপ্তাই কয় যে ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহায়তা চুক্তি অনুসৰি দেশখনক এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ইতিপূৰ্বে অৱগত কৰোৱা হৈছে। তেওঁ কয় যে গৃহ মন্ত্ৰালয়ে ছিংগাপুৰৰ এটৰ্ণী জেনেৰেলক এই বিষয়ে সম্পূৰ্ণ ৰূপে অৱগত কৰোৱাৰ পাছত ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকা হৈছে বুলিও তেওঁ কয়।

**বাইট**

তদুপৰি জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে।

০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে কাইলৈ ৰাজ্যৰ ২৬ খন জিলাত পলিঅ' দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উপৰাষ্ট্ৰীয় প্ৰতিষেধক অভিযানৰ অধীনত ইতিপূৰ্বে পলিঅ' প্ৰতিষেধক গ্ৰহণৰ পৰা বাদ পৰি যোৱা সকলো শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জীৱন ৰক্ষাকাৰী পলিঅ' প্ৰতিষেধক প্ৰদান নিশ্চিত কৰাৰ বাবে ৫ বছৰৰ তলৰ সকলো শিশুৰ পিতৃ-মাতৃ আৰু অভিভাৱকক আগবাঢ়ি অহাৰ বাবে আহ্বান জনাইছে। চিৰাং জিলাত কাইলৈৰ পৰা এই প্ৰতিষেধক প্ৰদান কৰা হ'ব। ১৪ অক্টোবৰলৈ চলিবলগীয়া এই কাৰ্সূচীত ৪০০ টা কেন্দ্ৰত প্ৰতিষেধক প্ৰদান কৰা হ'ব। জিলাখনৰ আয়ুক্তই প্ৰকাশ কৰা মতে, এহেজাৰ ৫৩৮ গৰাকী স্বাস্থ্য বিভাগৰ লোক এই প্ৰতিষেধক প্ৰদান কাৰ্যত নিয়োজিত হৈ থাকিব। জিলাখনৰ ৬০ হাজাৰ ২৪৬ টি শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

০০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত আজি যোৰহাট জিলাৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰীগৰাকীয়ে এই বৈঠকত জিলাখনত চলি থকা বিভিন্ন উন্নয়নমূলক কাম-কাজসমূহ বিস্তৃতভাৱে পৰ্যালোচনা কৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁচনিসমূহৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত লোকনিৰ্মাণ, গৃহ, জনস্বাস্থ্য কাৰিকৰী, আৱকাৰী, শিক্ষা, পৰিবহন, কৃষি, বন, খাদ্য আৰু অসামৰিক যোগানকে ধৰি কেইবাটাও বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটীৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ৰেডিঅ' শুনাৰ আৰু আকাশবাণীৰ সৈতে জড়িত হোৱাৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰে। এই অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী কল্পবিজ্ঞান লেখক ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে ৰেডিঅ'ৰ সৈতে নিজৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ কথা সোঁৱৰণ কৰাৰ লগতে আকাশবাণীত অনুষ্ঠানৰ ঘোষণা নাইবা বাতৰি পঢ়োতাসকলক সাৱধান হৈ আৰু শুদ্ধতা অটুত ৰাখি শব্দ উচ্ছাৰণ কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানত অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া শেৱালী চৌধুৰী আৰু বিশিষ্ট শিল্পী বনচাই বিশেষজ্ঞ লাবু সেনাপতিয়েও ৰেডিঅ'ৰ সৈতে থকা স্মৃতি আৰু অভিজ্ঞতাৰ বিষয়ে শ্ৰোতাসকলক অৱগত কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই আকাশবাণীৰ মান অটুত ৰাখি বিশ্বাসযোগ্য মাধ্যম হিচাপে কাম কৰি যাবলৈ ইয়াৰ সৈতে জড়িত সকলোকে আহ্বান জনায়। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ৰাজ্যৰ নৱপ্ৰজন্মক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে অসম চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য মেলা অনুষ্ঠিত কৰিছে। যোৰহাট জিলাৰ তিতাবৰ বিধানসভা সমষ্টিত আজি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এই মেলা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে বৰহোলাৰ খেৰেমা বনুৱা আদৰ্শ অংগনবাড়ী কেন্দ্ৰটোও আনুষ্ঠানিকভাৱে উদ্বোন কৰে। মন্ত্ৰীগৰাকীয়ে আজি তিতাবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত ৰাজ্যৰ সমাজ কল্যাণ বিভাগে নিৰ্মাণ কৰা এনে চাৰিটা অংগনবাড়ী কেন্দ্ৰ উদ্বোধন কৰে।

ওদালগুৰি জিলাৰ ওৰাং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি এটা স্বাস্থ্য শ্বিৰ অনুষ্ঠিত হয়। এই শিবিৰত কেইবাগৰাকী বিশেষজ্ঞ চিকিৎসকে শিশু তথা কিশোৰ কিশোৰীসকলৰ কমেও ৫০ বিধ ৰোগৰ পৰীক্ষা কৰি বিনামূলীয়া ঔষধ প্ৰদান কৰে।

চৰাইদেউ জিলাৰ সোণাৰী বিধানসভা সমষ্টিত আজি এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ৩ হাজাৰ ৮০২ গৰাকী লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। মন্ত্ৰী বিমল বৰাই এই শিবিৰ মুকলি কৰে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**